জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭/২০২২

# পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ নিৰ্ধাৰিত পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত আয়োজিত সন্মিলনত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ১৩ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জল জীৱন মিছনৰ জৰিয়তে ২০২৪ চনৰ ভিতৰত অসমৰ সকলো গ্ৰাম্য পৰিয়ালক নলযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ দিশত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰয়াসক সাকাৰ ৰূপ দিয়াৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ নিৰ্ধাৰিত পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত আয়োজিত এক সন্মিলনত পঞ্চায়ত প্ৰতিনিধিসকল তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে বাৰ্তালাপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জল জীৱন মিছনৰ অধীনত ‘হৰ ঘৰ নল চে জল’ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰাম্য ভাৰতৰ সম্পূৰ্ণ ৰূপান্তৰ সাধন কৰিছে। তেওঁ কয় যে অসমত মিছনৰ কাম-কাজ অধিক ত্বৰান্বিত কৰাৰ বাবে ৰূপায়ণকাৰী সংস্থাসমূহে বাকী ৪৩ লাখ পৰিয়ালক এই ফ্লেগশ্বিপ আঁচনিৰ অধীনলৈ অনাৰ বাবে সম্পূৰ্ণ সমন্বয়ৰ সৈতে কাম কৰিব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে আঁচনিখনৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত যিহেতু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ সদস্যসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে, সেয়েহে উপায়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা খণ্ড উন্নয়ন বিষয়াসকলে আঁচনিখনৰ ৰূপায়ণৰ কাম-কাজত পঞ্চায়ত প্ৰতিনিধিসকলক সহযোগী হিচাপে গ্ৰহণ কৰা উচিত।

উল্লেখযোগ্য যে জল জীৱন মিছনৰ অধীনত ৰাজ্যখনৰ প্ৰতিখন গাঁৱত পানীযোগান আঁচনি হাতত লোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাঁৱৰ কোনো এখনকো বাদ নপৰাকৈ আঁচনিখন ৰূপায়িত কৰাৰ পিছত, আঁচনিসমূহৰ চোৱাচিতা কৰিবলৈ ৰূপায়ণকাৰী বিভাগসমূহে ‘পানী ব্যৱহাৰকাৰীসকলৰ সমিতি’ গঠন কৰিব লাগিব। তেওঁ লগতে আঁচনিখনৰ সু-পৰিচালনাৰ বাবে সমগ্ৰ ২৪ হাজাৰখন পানী যোগান আঁচনিতে কাৰিকৰীভাৱে দক্ষ স্বেচ্ছাসেৱক নিয়োজিতকৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে, যাতে প্ৰতিটো গ্ৰাম্য পৰিয়ালে প্ৰতিদিনে পৰ্যাপ্ত পৰিমাণে খোৱাপানী লাভ কৰিবলৈ সক্ষম হয়।

মিছনৰ পৰিচালনা আৰু গুৰুত্বৰ বিষয়ে প্ৰতিগৰাকী অংশীদাৰকে যাৱতীয় জ্ঞান প্ৰদান কৰাৰ বাবে এই সম্বন্ধীয় এখন হাতপুথি প্ৰকাশ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে ৰূপায়ণকাৰী বিভাগসমূহক নিৰ্দেশ দিয়ে। সৰ্বসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ স্বাৰ্থত জল জীৱন মিছনৰ সফল তত্বাৱধানৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ তেওঁ সংশ্লিষ্ট সকলো পক্ষৰে সহযোগিতা কামনা কৰে। আঁচনিৰ লগত জড়িত সকলোকে যাৱতীয় জ্ঞান প্ৰদান কৰাৰ বাবে উপায়ুক্ত পৰ্যায়ত দুদিনীয়া কৰ্মশালা আয়োজন কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কাক নিৰ্দেশ দিয়ে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অসমত জলজীৱন মিছন ৰূপায়ণৰ বিষয়ে এক চমু অৱলোকন দাঙি ধৰে। ৰাজ্যখনত মিছনৰ কাম-কাজ ৰূপায়ণৰ দিশত আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কা, জল জীৱন মিছনৰ প্ৰকল্প সঞ্চালক আকাশ দীপ, ৰূপায়ণকাৰী বিভাগসমূহৰ বিষয়ববীয়াসকল, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ সদস্যসকল, খণ্ড উন্নয়ন বিষয়াসকলে অংশগ্ৰহণ কৰে। দিনজোৰা বৈঠকৰ অংশ হিচাপে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে মিছনটোৰ ৰূপায়ণৰ প্ৰতিটো স্তৰৰ বিষয়ে খৰচি মাৰি পৰ্যালোচনা কৰে।

**সুঃদঃ / প্ৰঃকুঃবঃ**

**১৩-২-২০২২**